**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং –২৯৫**
**উত্তৰ দিয়াৰ তাৰিখ – ১৩/০৭/২০২৬**

*বিষয়ঃ* **পলাশবাৰী সমষ্টিত ষ্টেডিয়াম নিৰ্মাণ সম্পৰ্কে।**

শ্ৰী হিমাংশু শেখৰ বৈশ্যঃ

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) পলাশবাৰী সমষ্টিৰ খেলুৱৈ সকলে বিভিন্ন প্ৰতিযোগিতাত ভাল প্ৰদৰ্শন কৰি আহিছে আৰু ইয়াত যথেষ্ট সংখ্যক প্ৰতিভা সম্পন্ন ফুটবল খেলুৱৈ আছে, কিন্তু উপযুক্ত সা-সুবিধাৰ লগতে ষ্টেডিয়াম নোহোৱাৰ বাবে বহু খেলুৱৈ আগবাঢ়ি যাব পৰা নাই। খেলুৱৈ সকলৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বিভাগে ষ্টেডিয়ামৰ ব্যৱস্থা গ্ৰহণ কৰি দিব নেকি ? সদনত জনাব।

(খ) খেলুৱৈ সকলৰ উত্থানৰ বাবে বিভাগে সমষ্টিৰ ভিতৰৰ বহু ঠাইত সৰু সৰু কৈ ষ্টেডিয়াম নিৰ্মাণৰ ব্যৱস্থা কৰিব নেকি ? সদনত জনাব।

মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী **শ্ৰীযুত বিশ্বজিৎ দৈমাৰী** মহোদয়ে উত্তৰ দিবঃ

(ক) অসম চৰকাৰৰ লোকনিৰ্মাণ বিভাগৰ পৰা পোৱা তথ্য মতে, পলাশবাৰী বিধানসভা সমষ্টিত Signature Project-ৰ অধীনত "Construction of Stadium Complex at South Kamrup Sports Club, Palasbari LAC under Kamrup" শীৰ্ষক আঁচনিখন ৮,৬৭,৪৯,১০০.০০ টকা প্ৰকল্প ব্যয়েৰে সম্পূৰ্ণ কৰা হৈছে।অসম চৰকাৰৰ কেবিনেটৰ সিদ্ধান্ত মৰ্মে, লোকনিৰ্মাণ বিভাগৰ সৈতে যোগাযোগ কৰি উক্ত ষ্টেডিয়ামখন Board of Sports of Assam-লৈ হস্তান্তৰ কৰা হ'ব।পৰৱৰ্তী পৰ্যায়ত পলাশবাৰী সমষ্টিৰ স্থানীয় বাসিন্দাৰ প্ৰয়োজন সাপেক্ষে উক্ত ষ্টেডিয়ামখনত ফুটবল আৰু অন্যান্য ক্ৰীড়াৰ ব্যৱস্থা কৰা হ'ব।

ইয়াৰ উপৰিও, পলাশবাৰী বিধানসভা সমষ্টিৰ খেলৰ উন্নতিৰ বাবে নিম্ন উল্লেখিত আঁচনিসমূহ ৰূপায়ণ কৰা হৈছে।

১. ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৰাজ্যৰ ৫০০ খন খেলপথাৰ উন্নয়নৰ বাবে ১০০ কোটি টকা ব্যয়জড়িত এখন আঁচনি ৰূপায়ণ কৰি আছে। প্ৰতিখন খেলপথাৰৰ বাবে ২০ লাখ টকা ধাৰ্য কৰা হৈছে আৰু নিৰ্বাচিত হিতাধিকাৰীসকলক খেলপথাৰ উন্নয়নৰ বাবে বিভাগীয় নিয়মানুসাৰে পুঁজি মোকলাই দিয়া হৈছে।

এই আঁচনিখনৰ অধীনত কামৰূপ জিলাৰ অন্তৰ্গত পলাশবাৰী বিধানসভা সমষ্টিৰ নিম্ন উল্লেখিত শিক্ষানুষ্ঠান / ক্লাৱ-ৰ খেলপথাৰসমূহৰ উন্নয়নৰ বাবে পুঁজি মোকলাই দি থকা হৈছেঃ

| ক্ৰমিক নং | উন্নয়ন খণ্ড | হিতাধিকাৰী | ভৌতিক অগ্ৰগতি |
|---|---|---|---|
| ১. | ৰামপুৰ | নাহিৰা গুঁইমৰা আঞ্চলিক হাইস্কুল | ১০০ শতাংশ |
| | | ৰামপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় | ৮০ শতাংশ |
| ২. | চৈয়ানী বৰদুৱাৰ | দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুল | ১০০ শতাংশ |
| | | স্বৰ্গীয় হৰমোহন গোস্বামী আদৰ্শ প্ৰাথমিক বিদ্যালয় | ৮৫ শতাংশ |
| | | দক্ষিণ কামৰূপ ক্ৰীড়া সন্থা | ১০০ শতাংশ |
| ৩. | ৰাণী | ৰাণী হাইস্কুল | ১০০ শতাংশ |

তাৰোপৰি, প্ৰতিখন খেলপথাৰলৈ ১ লাখ টকাৰ ক্ৰীড়া সামগ্ৰী যোগান ধৰা হৈছে।।

ক্ৰমশঃ

2. ২০২৪-২৫ বিত্তীয় বৰ্ষত পলাশবাৰী বিধানসভা সমষ্টিত Sarpara Friends Club লৈ "Providing of Financial Assistance and Sports, Gym Equipment to 126 selected Youth Clubs of the State (LAC wise)" আঁচনিৰ অধীনত ৫ লাখ টকাৰ আৰ্থিক অনুদান, ৫ লাখ টকাৰ ক্ৰীড়া সামগ্ৰী, আৰু ৫ লাখ টকাৰ জিমৰ আহিলা প্ৰদান কৰা হৈছে।

(খ) পলাশবাৰী বিধানসভা সমষ্টিৰ ভিতৰৰ বহু ঠাইত সৰু সৰুকৈ ষ্টেডিয়াম ব্যৱস্থা কৰা সন্দৰ্ভত অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ কোনো পৰিকল্পনা নাই। যদিও আগন্তক ৫ বছৰত চৰকাৰে অসমৰ প্ৰতিটো বিধানসভা সমষ্টি /ব্লক পৰ্য্যায়ত এটাকৈ ষ্টেডিয়াম নিৰ্মাণৰ পৰিকল্পনা কৰি থকা হৈছে।

উল্লেখনীয় যে ক্ৰীড়া আন্তঃগাঁঠনি নিৰ্মাণ আৰু উন্নয়নৰ সৈতে জড়িত সমূহ কাম কাজ লোকনিৰ্মাণ বিভাগলৈ হস্তান্তৰ কৰা হৈছে, সেয়ে, আগন্তুক দিনত এই ক্ষেত্ৰত কিবা প্ৰস্তাৱ গ্ৰহণ কৰা হ'লে তাৰ তথ্য লোকনিৰ্মাণ বিভাগত উপলভ্য হ'ব।

***********